GPS S6 01(M/P)

ভাৰতৰ লোক প্ৰশাসন

ষষ্ঠ ষাণ্মাসিক

ৰাজনীতি বিজ্ঞান

খণ্ড - ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° শান্তণু চক্রৱর্তী, কটন বিশ্ববিদ্যালয়
ড° ধ্রুৱ প্রতিম শর্মা, গুৱাহাটী বিশ্ববিদ্যালয়
ড° শুভ্রজিৎ কোঁৱৰ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° অভিজিৎ ভূঞা , কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১,২	অর্পিতা দাস প্রাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী	অধ্যায় - ১ বলোৱাম নাথ ৱহা মহাবিদ্যালয়
৩,৪,৫	ড° দাদুল দেউৰী পূৱ-কামৰূপ মহাবিদ্যালয়, বাইহাটা চাৰিআলি	অধ্যায় - ২,৩ অর্ণৱ শর্মা, গুৱাহাটী
৬	বিকাশ চন্দ্র দাস চিনামাৱা মহাবিদ্যালয়, যোৱহাট	অধ্যায়- ৪,৫,৭ প্রভাত ভূঞা, গুৱাহাটী
৭	ড° নন্দিতা দাস গুৱাহাটী	অধ্যায় - ৬ ড° দিলীপ সোণোৱাল কলিয়াবৰ মহাবিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° বিপুল দাস , কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ভাষা সম্পাদনা ঃ পাপুমণি হাজৰিকা, জে.বি.মহাবিদ্যালয় - অধ্যায় ২,৩,৪,৬,৭
ত্রিবেণী শর্মা বৰুৱা, গুৱাহাটী- অধ্যায় ১,৫

গাঁথনিক সম্পাদনা ঃ ড° অভিজিৎ ভূঞা, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ডিচেম্বৰ, ২০১৯

ISBN 978-93-89559-68-2

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-ShareAlike4.0 License (International): http.//creativecommons.org/licenses/by-nc-sa/4.0.

কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্য্যালয় ঃ পাটগাঁও, ৱাণী গেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in
উপ-মুখ্য কার্য্যালয় ঃ হাউচ্‌ফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী-৭৮১ ০০৬

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ ভাৰতবর্ষত লোক প্রশাসনৰ বিৱর্তন

প্রাচীন যুগত লোক প্রশাসনৰ বিৱর্তন, মোগল যুগত লোক প্রশাসনৰ বিৱর্তন, বৃটিছ কালত লোক প্রশাসনৰ বিৱর্তন, স্বাধীনোত্তৰ ভাৰতবর্ষত লোক প্রশাসনৰ বিৱর্তন

অধ্যায় ২ ঃ ভাৰতৰ লোক প্রশাসনৰ বৈশিষ্ট্য

ভাৰতৰ লোক প্রশাসন ব্যৱস্থাৰ বৈশিষ্ট্য

অধ্যায় ৩ ঃ জ্ঞানবিদ বনাম জ্ঞান বিশেষজ্ঞ

'জ্ঞানবিদ' (Generalist) আৰু 'জ্ঞান বিশেষজ্ঞ' (Specialist)ৰ অর্থ; ভাৰতত জ্ঞানবিদ আৰু জ্ঞান বিশেষজ্ঞৰ বিতর্কৰ পটভূমি

অধ্যায় ৪ ঃ ভাৰতৰ লোকসেৱাসমূহ

ভাৰতৰ ৰাজনৈতিক কার্যপালিকাআৰু স্থায়ী কার্যপালির্কা; ভাৰতৰ লোকসেৱাসমূহ ঃ সর্বভাৰতীয় সেৱাসমূহ, কেন্দ্রীয় অসামৰিক সেৱা আৰু ৰাজ্যিক সেৱাসমূহ

অধ্যায় ৫ ঃ মন্ত্রী পৰিষদৰ সচিবালর্য; প্রধানমনন্ত্রীৰ কার্যালয়

মন্ত্রী পৰিষদৰ সচিবালয় ঃ গাঁথনি, ক্ষমতা আৰু কার্যাৱর্লী; প্রধানমনন্ত্রীৰ কার্যালয়ঃ গাঁথনি, ক্ষমতা আৰু কার্যাৱলী

অধ্যায় ৬ ঃ কেন্দ্রীয় লোকসেৱা আয়োগ

কেন্দ্রীয় লোকসেৱা আয়োগ ঃ কেন্দ্রীয় লোকসেৱা আয়োগৰ ক্রমবিকাশ , কেন্দ্রীয় লোকসেৱা আয়োগৰ সাংবিধানিক বিধান, কেন্দ্রীয় লোকসেৱা আয়োগৰ গঠন, নিয়োগ, কার্যকাল আৰু সদস্যৰ অপসাৰণ পদ্ধতি, কেন্দ্রীয় লোকসেৱা আয়োগৰ সদস্যসকলৰ চাকৰিৰ চর্ত, কেন্দ্রীয় লোকসেৱা আয়োগৰ কার্যাৱলী

অধ্যায় ৭ ঃ ৰাজ্যিক লোকসেৱা আয়োগ

ৰাজ্যিক লোকসেৱা আয়োগ ঃ ৰাজ্যিক লোকসেৱা আয়োগৰ গঠন, ৰাজ্যিক লোকসেৱা আয়োগৰ কার্যাৱলী

পাঠ্যবিষয়ৰ পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ কলা শাখাৰ ৰাজনীতি বিজ্ঞান বিষয়ৰ ষষ্ঠ যাণ্মসিকৰ প্ৰথম পাঠ্যবিষয়টোৰ শিৰোনাম হ'ল ''ভাৰতৰ লোক প্ৰশাসন''। ভাৰতৰ লোক প্ৰশাসনৰ সাংগঠনিক আৰু কাৰ্যসম্পাদন পদ্ধতি বিষয়ক বিভিন্ন দিশৰ জ্ঞানেৰে শিক্ষাৰ্থীসকলক সমৃদ্ধ কৰি তোলাত সহায় কৰিব পৰাকৈ এই পাঠ্যবিষয়টো প্ৰস্তুত কৰা হৈছে।

পাঠ্যবিষয়ত সন্নিৱিষ্ট অধ্যায়বোৰত প্ৰাচীন যুগৰ পৰা স্বাধীনতা লাভৰ পৰৱৰ্তী সময়ছোৱাত ভাৰতত হোৱা ৰাজহুৱা প্ৰশাসন ব্যৱস্থাৰ ক্ৰমবিকাশ আলোচনা কৰা হৈছে। পাঠ্যবিষয়টিত ভাৰতীয় ৰাজহুৱা প্ৰশাসন ব্যৱস্থাৰ বৈশিষ্ট্যসমূহো আলোচনা কৰা হৈছে। ভাৰতীয় প্ৰশাসন ব্যৱস্থাৰ এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল ৰাজহুৱা সেৱাত সাধাৰণ প্ৰশাসক আৰু কাৰ্যসম্পাদন বিশেষজ্ঞসকলৰ অৱস্থান আৰু ভূমিকা সম্পৰ্কে চলি থকা বিতৰ্ক। সেয়েহে ইয়াত তাত্ত্বিক প্ৰশাসক বনাম বিশেষজ্ঞ প্ৰশাসকৰ বিতৰ্কটোও আলোচনা কৰা হৈছে। অধ্যায়বোৰত ভাৰতৰ ৰাজনৈতিক আৰু অ-ৰাজনৈতিক কাৰ্যবাহীসকলৰ পৃষ্ঠভূমি তথা প্ৰকৃতিৰ বিশেষ উল্লেখেৰে তেওঁলোকৰ ভূমিকা সম্পৰ্কেও বহলাই আলোচনা কৰা হৈছে। পাঠ্য বিষয়টি পঢ়ি শিক্ষাৰ্থীসকলে ভাৰতত ৰাজহুৱা সেৱাৰ সংৰচনাটো সম্পৰ্কেও অৱগত হ'ব পাৰিব। ইয়াত কেবিনেট সচিবালয় আৰু প্ৰধান মন্ত্ৰীৰ কাৰ্যালয় (PMO)ৰ দৰে ভাৰতৰ কেইটামান অতি গুৰুত্বপূৰ্ণ ৰাজহুৱা প্ৰশাসনৰ সৈতে জড়িত অনুষ্ঠান তথা কাৰ্যালয়ৰ বিষয়েও আলোচনা কৰা হৈছে। ফলপ্ৰসূ প্ৰশাসনীয় সেৱা আগবঢ়াবলৈ নিযুক্তি দিয়া ৰাজহুৱা সেৱাৰ বিষয়াসকলক মেধাৰ ভিত্তিত আয়োজিত এটা নিৰপেক্ষ প্ৰক্ৰিয়াৰ জৰিয়তে বাছনি কৰা উচিত। ভাৰতীয় সংবিধানে এই প্ৰক্ৰিয়াটো চলাই নিবলৈ কেন্দ্ৰীয় ৰাজহুৱা সেৱা আয়োগ (UPSC) আৰু ৰাজ্যিক ৰাজহুৱা সেৱা আয়োগ (SPSC) গঠনৰ সুবিধা দিছে। পাঠ্যবিষয়ত সন্নিৱিষ্ট অধ্যায়ত দুয়োখন আয়োগৰে কৰ্তব্য তথা দায়িত্বসমূহ আৰু ৰাজহুৱা সেৱা ব্যৱস্থাপনা প্ৰক্ৰিয়াটোৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। ৰাজহুৱা প্ৰশাসক সকল যথেষ্ট ক্ষমতা আৰু দায়িত্বৰ গৰাকী। সেয়েহে প্ৰশাসনক ৰাষ্ট্ৰই নিজৰ নিয়ন্ত্ৰণত ৰখাটোও সমানে প্ৰয়োজনীয়। পাঠ্যবিষয়ৰ অন্তৰ্গত বিভিন্ন অধ্যায়ত ভাৰতীয় প্ৰশাসনক নিয়ন্ত্ৰণ কৰিবলৈ থকা নানা কাৰ্যবাহী, সংসদীয় আৰু ন্যায়িক নিয়ন্ত্ৰণ ব্যৱস্থাৰ কথা বহলাই আলোচনা কৰা হৈছে। ভাৰতীয় ৰাজহুৱা প্ৰশাসনৰ এটা উল্লেখনীয় বৈশিষ্ট্য হ'ল অসামৰিক সেৱাৰ পক্ষপাতহীনতা । ভাৰতত এগৰাকী অসামৰিক সেৱা বিষয়াৰ প্ৰকৃতি পক্ষপাতহীন বুলি ধৰি লোৱা হয়। এই বিষয়টোৰ সৈতে জড়িত এটা গুৰুত্বপূৰ্ণ দিশ হ'ল দায়ৱদ্ধ আমোলাতন্ত্ৰ। এগৰাকী অসামৰিক সেৱা বিষয়াই ভাৰতীয় সংবিধানে নিশ্চিতি দিয়া সকলোবোৰ লক্ষ্যত উপনীত হ'বলৈ দায়ৱদ্ধ হৈ ৰোৱা উচিত। পাঠ্যবিষয়ত সন্নিৱিষ্ট অধ্যায়ত এই দুটা বিষয়ো বহলাই আলোচনা কৰা হৈছে। যিকোনো দেশৰে বিত্তীয় প্ৰশাসনৰ এটা গুৰুত্বপূৰ্ণ দিশ হ'ল বাজেট। সেয়েহে ইয়াত ভাৰতৰ বাজেট প্ৰস্তুতকৰণ প্ৰক্ৰিয়া আৰু এনে বাজেটৰ পাৰদৰ্শিতা বিষয়ক সমস্যাবোৰৰ কথাও আলোচনা কৰা হৈছে। এখন ৰাজ্যিক চৰকাৰে ইয়াৰ সচিবালয়ৰ জৰিয়তে বিভিন্ন কাম-কাজ সম্পাদন কৰে। সচিবালয় হ'ল বিভিন্ন বিভাগৰ সমষ্টি। ইয়াৰ প্ৰশাসনীয় দিশটোৰ নেতৃত্ব দিয়ে বিভিন্ন বিভাগৰ সচিবসকলে। মন্ত্ৰীসকলে সচিবালয়ক ৰাজনৈতিক নেতৃত্ব দিয়াৰ দায়িত্ব পালন কৰে। পাঠ্যবিষয়ৰ অধ্যায়বোৰত সেয়েহে ৰাজ্যিক সচিবালয় আৰু ইয়াৰ প্ৰশাসনীয় মুৰব্বীৰ দায়িত্ব পালন কৰা মুখ্য সচিবৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। ভাৰতীয় প্ৰশাসন ব্যৱস্থাত জিলাবোৰেও এক গুৰুত্বপূৰ্ণ এককৰ ভূমিকা পালন কৰি আহিছে। সেয়েহে পাঠ্যবিষয়টোত ভাৰতৰ জিলা প্ৰশাসন সংগঠনটো আৰু ইয়াৰ ইতিহাসো বহলাই আলোচনা কৰা হৈছে। আলোচনাকালত জিলা প্ৰশাসনৰ মুৰব্বী হিচাপে জিলা সমাহৰ্তাৰ ভূমিকা আৰু অৱস্থান তথা সমাহৰ্তা কাৰ্যলয়ৰ কৰ্তব্য-দায়িত্বৰ বৰ্ণনাকো সামৰি লোৱা হৈছে। ভাৰতীয় প্ৰশাসন ব্যৱস্থাৰ আন এক উল্লেখনীয় দিশ হ'ল ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তি। প্ৰশাসন আৰু দেশ শাসনৰ ভাৰসাযোগ্যতা অটুট ৰাখিবলৈ ৰাজহুৱা অভিযোগ নিষ্পত্তিৰ এক যথোপযুক্ত ব্যৱস্থা থকাটো অতি প্ৰয়োজনীয়। ইয়াৰ পটভূমিতে ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাটোত এক তাৎপৰ্যপূৰ্ণ উন্নয়ন সাধন কৰি ২০০৫ চনৰ পৰা তথ্য জনাৰ অধিকাৰ আইনখন বলবৎ কৰা হৈছে। আইনখনৰ দ্বাৰা দেশৰ শাসন ব্যৱস্থাটো আগতকৈ অধিক স্বচ্ছ আৰু ভাৰসাযোগ্য কৰি তুলিব খোজা হৈছে। পাঠ্যবিষয়টিত ৰাজহুৱা অভিযোগ নিষ্পত্তিৰ বাবে ভাৰতে গঢ়ি তোলা লোকপাল আৰু লোকায়ুক্তৰ দৰে অনুষ্ঠানবোৰৰ আলোচনাৰ লগতে তথ্য জনাৰ অধিকাৰ আইন, ২০০৫ খনৰ বিষয়েও আলোচনা কৰা হৈছে। ভাৰতীয় প্ৰশাসনীয় ব্যৱস্থাটো যথেষ্ট পৰিমাণে বৃটিছ প্ৰশাসনৰ আৰ্হিত গঢ়ি তোলা হৈছিল। সেয়েহে পৰৱৰ্তিত সময়ৰ প্ৰেক্ষাপটত এই ব্যৱস্থাটোৰ সংশোধনী ঘটোৱাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰা হৈছিল। সেয়েহে, স্বাধীনতাৰ পাছৰ সময়ছোৱাত সমগ্ৰ ব্যৱস্থাটোৰ সংস্কাৰ সাধন কৰি পুনৰ গঠন কৰা হৈছিল। ভাৰত চৰকাৰৰ দ্বাৰা গঠিত প্ৰথম আৰু দ্বিতীয় প্ৰশাসনীয় সংস্কাৰ সাধন আয়োগৰ বিশেষ উল্লেখ সহিতে দেশত হোৱা প্ৰশাসনীয় সংস্কাৰৰ আলোচনাৰে পাঠ্যবিষয়টি সামৰা হৈছে।

'ভাৰতৰ লোক প্ৰশাসন' নাম দিয়া এই পাঠ্যবিষয়টোক খণ্ড-১ আৰু খণ্ড-২ ত ভগোৱা হৈছে। খণ্ড-১ ত মুঠ সাতটা (অধ্যায় ১-৭) আৰু খণ্ড-২ ত মুঠ আঠটা (অধ্যায় ৮-১৫) অধ্যায় সন্নিৱিষ্ট কৰা হৈছে।

প্ৰথম খণ্ডৰ পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ৰাজনীতি বিজ্ঞান বিষয়ৰ ষষ্ঠ ষান্মাসিকৰ প্ৰথম পাঠ্যবিষয়ৰ এইটো হ'ল প্ৰথম খণ্ড। ৰাজনীতি বিজ্ঞানৰ স্নাতক ষষ্ঠ ষান্মাসিকৰ প্ৰথম পাঠ্যবিষয় খনৰ শিৰোনাম হ'ল 'ভাৰতৰ লোক প্ৰশাসন' । পাঠ্যবিষয়টোৰ প্ৰথম খণ্ডত সাতটা অধ্যায় (অধ্যায় ১-৭) সন্নিৱিষ্ট কৰা হৈছে।

প্ৰথম অধ্যায়টোৱে আপোনাক ভাৰতবৰ্ষত লোক প্ৰশাসনৰ বিৱৰ্তনৰ লগত পৰিচয় কৰাই দিব ।

দ্বিতীয় অধ্যায়টোৱে ভাৰতৰ লোক প্ৰশাসনৰ বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰিছে।

তৃতীয় অধ্যায়টোৱে জ্ঞানবিদ বনাম জ্ঞান বিশেষজ্ঞ বিতৰ্কৰ বিষয়ে আলোচনা কৰিছে।

চতুৰ্থ অধ্যায়টোত ভাৰতৰ লোকসেৱাসমূহৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে ।

পঞ্চম অধ্যায়টোৱে মন্ত্ৰী পৰিষদৰ সচিবালয় আৰু প্ৰধানমনন্ত্ৰীৰ কাৰ্যালয় ওপৰত. আলোকপাত কৰিছে।

ষষ্ঠ অধ্যায়টোৱে কেন্দ্ৰীয় লোকসেৱা আয়োগৰ বিষয়ে আলোচনা কৰিছে।

সপ্তম অধ্যায়টোৱে ৰাজ্যিক লোকসেৱা আয়োগৰ বিষয়ে আলোচনা কৰিছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। আকৌ অধ্যায়সমূহত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে।